# সহজানন্দ ওজা সোঁৱৰণী ক্লাষ্টাৰ-২ আন্তঃ ক্লাব ক্ৰিকেট লীগ ২০২৫-২০২৬

**নগাঁও, ৫ মাৰ্চ :** নগাঁও ক্ৰীড়া সংস্থাৰ ২০২৫-২০২৬ বৰ্ষৰ সহজানন্দ ওজা সোঁৱৰণী ক্লাষ্টাৰ-২ আন্তঃ ক্লাব ক্ৰিকেট লীগত খুটিকটীয়া ইয়ুথ ক্লাবে অবিজিত চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। নুৰুল আমিন ষ্টেডিয়ামত আজি অনুষ্ঠিত লীগৰ খেলসমূহত পুৱা খেলখনত ভাইকিংছ ক্লাবে জয়লাভ কৰাৰ বিপৰীতে বিয়লিৰ খেলখনত খুটিকটীয়া ইয়ুথ ক্লাবে জয়লাভ কৰি লীগত সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে।

প্ৰথমখন খেলত ভাইকিংছ ক্লাবে নগাঁও ৰাজস্থানী যুৱক সংঘক ২০ ৰানত পৰাস্ত কৰে। প্ৰথমে বেটিং কৰি ভাইকিংছে নিৰ্ধাৰিত ২০ অভাৰত তিনি উইকেটৰ ক্ষতিত ১৬১ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ৰাজস্থানী যুৱক সংঘই ১৪১ ৰানতে ইনিংছ সমাপ্ত কৰি পৰাজয় স্বীকাৰ কৰে।

আনহাতে, দ্বিতীয়খন খেলত খুটিকটীয়া ইয়ুথ ক্লাবে সূৰ্যোদয় ক্লাবক ৪১ ৰানত পৰাস্ত কৰে। প্ৰথমে বেটিং কৰি খুটিকটীয়াই ৯ উইকেটৰ ক্ষতিত ১১৫ ৰান সংগ্ৰহ কৰে। লক্ষ্য অনুসৰণ কৰি সূৰ্যোদয় ক্লাবে ৭৪ ৰানতে সকলো উইকেট হেৰুৱায়।

খেলৰ অন্তত অনুষ্ঠিত বঁটা বিতৰণী অনুষ্ঠানত প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ প্ৰতিভাসম্পন্ন খেলুৱৈ হিচাপে ভাইকিংছৰ তীৰ্থ দাস, শ্ৰেষ্ঠ বেটাৰ হিচাপে ভাইকিংছৰ নাজিৰ হুছেইন, শ্ৰেষ্ঠ ব'লাৰ হিচাপে খুটিকটীয়াৰ নৱ লস্কৰ আৰু প্লেয়াৰ অৱ দ্য টুৰ্ণামেণ্ট হিচাপে ত্ৰিনয়ন গোষ্ঠীৰ অৰ্জুন দত্তক পুৰস্কাৰেৰে সন্মানিত কৰা হয়।

এই বঁটাসমূহ নগাঁও ক্ৰীড়া সংস্থাৰ কোষাধ্যক্ষ অসীম কুমাৰ ভাৱাল আৰু কাবাডী শাখাৰ সম্পাদক ৰজত বৰদলৈয়ে প্ৰদান কৰে। বিজয়ী খুটিকটীয়া ইয়ুথ ক্লাবক চলন্ত ট্ৰফী, চ'ভেনিৰ ট্ৰফী আৰু নগদ ধনেৰে পুৰস্কৃত কৰে সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাসে। আনহাতে ৰাণাৰ্ছ-আপ দল ভাইকিংছ ক্লাবক চলন্ত ৰাণাৰ্ছ ট্ৰফী, চ'ভেনিৰ ট্ৰফী আৰু নগদ ধন প্ৰদান কৰে ক্ৰিকেট শাখাৰ সম্পাদক মৃনাল কুমাৰ হাজৰিকাই।

## Sahajananda Ojah Memorial Cluster-2 Inter Club Cricket League 2025-2026

**Nagaon, March 5 :** Khutikotia Youth Club emerged as the unbeaten champions of the Sahajananda Ojah Memorial Cluster-2 Inter Club Cricket League 2025–2026, organized by the Nowgong Sports Association. In the league matches held today at Nurul Amin Stadium, Vikings Club won the morning match, while Khutikotia Youth Club secured victory in the afternoon match to collect full points in the league.

In the first match, Vikings Club defeated Nagaon Rajasthani Yuvak Sangha by 20 runs. Batting first, Vikings scored 161 runs for the loss of three wickets in the allotted 20 overs. In reply, Rajasthani Yuvak Sangha ended their innings at 141 runs and suffered defeat.

In the second match, Khutikotia Youth Club defeated Suryodaya Club by 41 runs. Batting first, Khutikotia scored 115 runs for the loss of nine wickets. Chasing the target, Suryodaya Club lost all their wickets for 74 runs.

At the prize distribution ceremony held after the matches, Tirtha Das of Vikings Club was adjudged the Best Promising Player, Nazir Hussain of Vikings Club received the Best Batter award, Naba Laskar of Khutikotia was named Best Bowler, and Arjun Dutta of Trinayan Gosthi was awarded the Player of the Tournament.

The awards were presented by Nowgong Sports Association Treasurer Ashim Kumar Bhawal and Kabaddi Secretary Rajat Bordoloi. The champion team Khutikotia Youth Club received the running trophy, souvenir trophy and cash prize from the Association’s General Secretary Tapan Kumar Das. The runners-up Vikings Club were presented the runners-up running trophy, souvenir trophy and cash prize by Cricket Secretary Mrinal Kumar Hazarika.